অধ্যায় ১১ ঃ অমূল্য বৰুৱাৰ কবিতা ঃ বেশ্যা

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 *বেশ্যা*

- 11.3.1 কবি পৰিচয়
- 11.3.2 কবিতাটিৰ মূল পাঠ
- 11.3.3 কবিতাটিৰ বিষয়বস্তু
- 11.3.4 কবি হিচাপে অমূল্য বৰুৱাৰ মূল্যায়ন

11.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.5 অধিক জানিবলৈ

11.6 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

11.7 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষণজন্মা প্রতিভাশালী কবি অমূল্য বৰুৱাৰ জীৱন আৰু কর্মৰাজিৰ পৰিচয় আগবঢ়াব পাৰিব
- কবি অমূল্য বৰুৱাৰ কবিতাৰ দুটা বিশেষ স্তৱৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- *বেশ্যা* কবিতাটোৰ বিষয়বস্তু আৰু তাত ফুটি উঠা কবিৰ সমাজ চেতনা আলোচনা কৰিব পাৰিব
- কবি অমূল্য বৰুৱাৰ কাব্য-কর্মৰ মূল্যায়ন আগবঢ়াব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আধুনিক অসমীয়া কবিতাৰ মনোজ্ঞ আলোচনাৰ লগতে কবি হেম বৰুৱাৰ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ আলোচনাভাগ পঢ়িলে। এইটো অধ্যায়ত আমি আধুনিক অসমীয়া কাব্য জগতৰ এগৰাকী ক্ষণজন্মা কবি অমূল্য বৰুৱাৰ এটি উল্লেখযোগ্য কবিতা *বেশ্যাৰ*আলোচনা কৰিম। অমূল্য বৰুৱাক ক্ষণজন্মা কবি বোলাৰ কাৰণ হ'ল তেওঁ মাথোন 24 বছৰ 1 মাহ 18 দিনহে এই পৃথিৱীত জীয়াই আছিল। 1946 চনৰ 18 আগষ্টৰ দিনা কলিকতাৰ 2নং ৰাজা ৰাজনাৰায়ণ ষ্ট্রীটৰ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্রাবাসত থকা অমূল্য বৰুৱাই আততায়ীৰ হাতত প্রাণ বিসর্জন দিছিল। কলিকতাত উদ্ভৱ হোৱা সেই ঘৃণনীয়, নাৰকীয়

সাম্প্রদায়িক সংঘর্ষত এই গৰাকী প্রতিভাবান কবিয়ে মৃত্যুক আঁকোৱালি নোলোৱাহেঁতেন আধুনিক অসমীয়া কাব্য কানন যে অধিক সমৃদ্ধ হ'লহেঁতেন সি ধ্রুবপ। এই অধ্যায়টিত আমি *বেশ্যা* কবিতাটিৰ আলোচনাৰ মাজেদি কবি অমূল্য বৰুৱাক মূল্যায়ন কৰিবলৈ প্রয়াস কৰিম।

১১.৩ *বেশ্যা*

১১.৩.১ কবি পৰিচয়

উজনি অসমৰ অবিভক্ত শিৱসাগৰ (বর্তমান যোৰহাট) জিলাৰ দিচৈৰ পাৰৰ এটা মধ্যবিত্ত পৰিয়ালত 1922 চনৰ 30 জুন তাৰিখে অমূল্য বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম প্রমোদ চন্দ্র বৰুৱা আৰু মাতৃৰ নাম আছিল ৰেবতী বৰুৱা। পিতৃ আছিল গড়কাপ্তানি বিভাগৰ কর্মচাৰী। কর্তব্যৰ তাগিদাত পিতৃয়ে সঘনে কর্মস্থান সলনি কৰিব-লগীয়া হৈছিল। তেওঁৰ ছয়টি সন্তানৰ ভিতৰত অমূল্য বৰুৱা আছিল জ্যেষ্ঠ। তেওঁৰ তিনি গৰাকী ভগ্নী আৰু দুজন ভাতৃ হৈছে ক্রমে সৰোজ বৰুৱা, লাৱণ্য দাস, ৰেণু বৰুৱা, অনিল বৰুৱা আৰু অমল বৰুৱা। অমূল্য বৰুৱাৰ বিদ্যাৰম্ভ হয় যোৰহাটস্থিত 3নং প্রেক্‌টিচিং স্কুলত। 1933 চনত যোৰহাট গৱর্ণমেণ্ট হাইস্কুলত তৃতীয় শ্রেণীত তেওঁৰ নামভর্তি কৰা হয়। মাত্র দুবছৰ কাল এই হাইস্কুলত পঢ়ি দেউতাকৰ চাকৰি বদলি হোৱাত তেওঁক গোলাঘাটৰ গৱর্ণমেণ্ট হাইস্কুলত পঞ্চম শ্রেণীত নাম ভর্তি কৰাই দিয়ে। প্রাথমিক বিদ্যালয়ৰ পৰাই তেওঁ নিজৰ মেধাৰ পৰিচয় দিছিল।প্রত্যেক বছৰে তেওঁ শ্রেণীত প্রথম বা দ্বিতীয় স্থান লাভ কৰিছিল। 1937 চনত পুনৰ তেওঁলোকৰ পৰিয়াল যোৰহাটলৈ ঘূৰি আহে। পুনৰ যোৰহাট গৱর্ণমেণ্ট হাইস্কুলত তেওঁ সপ্তম শ্রেণীত নামভর্তি কৰে। ঘৰৰ জ্যেষ্ঠ সন্তান হিচাপে অমূল্য বৰুৱা ঘৰুৱা দায়িত্ব পালনৰ লগতে সামাজিক দায়িত্ব গ্রহণৰ প্রতিও উন্মুখ হৈ পৰিছিল। এই পৰিবেশ সৃষ্টিত তেওঁৰ উৎসাহী বন্ধুবর্গ আৰু সেই সময়ৰ কৃতি শিক্ষক আৰু পৰৱর্তী কালৰ অসমীয়া সাহিত্যৰ কাণ্ডাৰীপুৰুষ মহেশ্বৰ নেওগ, মুনীন বৰকটকী আৰু কৃষ্ণ ভূঞাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। তেওঁৰ উৎসাহী সহপাঠিসকলৰ ভিতৰত যতিনাৰায়ণ শর্মা, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, বদন বৰুৱা, মুনীন্দ্র নাৰায়ণ দত্তবৰুৱা, বুধিন বৰুৱা, পদ্মধৰ (পদুম) বৰুৱা, ৰাজেন হাজৰিকা আদি অন্যতম আছিল। এই আটাইকেইজন ব্যক্তি বিংশ শতিকাৰ অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজৰ বিশিষ্ট কাণ্ডাৰী আছিল। উল্লিখিত এই উদ্যোগী শিক্ষক-ছাত্রসকলৰ সহযোগত যোৰহাটৰ পৰা হাতেলিখা আলোচনী *কবিতা-মালঞ্চ* প্রকাশিত হৈছিল। আলোচনীখনৰ সম্পাদকমণ্ডলীৰ অন্যতম আছিল তেতিয়াৰ ছাত্র অমূল্য বৰুৱা। এই *কবিতা-মালঞ্চ*তে অমূল্য বৰুৱাৰ কাব্য জীৱনৰ শুভাৰম্ভ হৈছিল। ইয়াৰ পৰৱর্তী সময়ত 1939 চনত আৱাহন কাকতত (ছপা আখৰত) তেওঁৰ প্রথম কবিতা প্রকাশিত হয়। অশেষ কষ্টেৰে তেওঁ কাব্য সাধনাত ব্রতী হৈছিল। তেওঁ তেওঁৰ বন্ধুবর্গলৈ কবিতাৰে

ভাবৰ আদান-প্রদান কৰি থকা চিঠি-পত্রসমূহে ইয়াৰ সাক্ষ্য বহন কৰে। তদুপৰি নৱম শ্রেণীত পঢ়ি থকা কালতে তেওঁ Hot News নামৰ সাপ্তাহিক হাতেলিখা কাকত এখনৰো সম্পাদনা কৰিছিল।

1941 চনত তেওঁ অসমীয়া বিষয়ত লেটাৰসহ প্রতিযোগিতামূলক বৃত্তি লাভেৰে প্রৱেশিকা পৰীক্ষাত প্রথম বিভাগত উত্তীর্ণ হৈছিল। তাৰ পিছত তেওঁ আই.এছ.চি শ্রেণীত নামভর্তি কৰিবলৈ গুৱাহাটীৰ কটন কলেজলৈ আহিছিল আৰু তেতিয়াৰ নিউ হোষ্টেলৰ আবাসী হৈছিল। সেই সময়ত ভাৰতৰ বিভিন্ন প্রান্তত দ্বিতীয় বিশ্বযুদ্ধৰ পৰোক্ষ প্রভাৱে বাৰুকৈ আলোড়ন সৃষ্টি কৰিছিল। বৃটিছ শাসিত অসম প্রান্ততো তাৰ ব্যতিক্রম হোৱা নাছিল। যুদ্ধৰ ধামখুমীয়া আৰু লগতে ভাৰতৰ স্বাধীনতা আন্দোলন— এই দুয়োটা গুৰুত্বপূর্ণ দিশ অমূল্য বৰুৱাৰ দৰে তৰুণ অসমীয়া ছাত্রসকলে পর্য্যবেক্ষণ নকৰাকৈ থকা নাছিল। সেই সময়ছোৱাত অসমৰ ভালেমান স্কুল-কলেজ বন্ধ দি মিলিটাৰীয়ে চাউনি পাতিছিল। কটন কলেজৰ ক্ষেত্রতো তাৰ ব্যতিক্রম হোৱা নাছিল। 1941 চনত 5 ডিচেম্বৰৰ পৰা চৰকাৰৰ উদ্যোগত গুৱাহাটীৰ চার্চ ফিল্ডত যুদ্ধৰ বাবে ধন সংগ্রহ কৰিবলৈ যুদ্ধ পুঁজি সমিতিয়ে এখন প্রদর্শনী অনুষ্ঠিত কৰিছিল। এই প্রদর্শনীৰ এটা অংশই কটন কলেজৰ পদার্থবিদ্যা আৰু ৰসায়নবিদ্যা বিভাগকো সামৰি লৈছিল। চৰকাৰী চাকৰিয়াল আৰু ছাত্র-ছাত্রীসকলক বাধ্যতামূলকভাবে প্রদর্শনী চাবলৈ জাননী জাৰি কৰা হৈছিল। উল্লেখনীয় যে প্রদর্শনীৰ প্রবেশমূল্য হিচাপে এক অনা (ছয় পইচা) ধার্য্য কৰা হৈছিল। অধ্যক্ষ বিজয় সেনগুপ্তই 6 ডিচেম্বৰৰ পৰা পদার্থ আৰু ৰসায়ন বিভাগৰ শ্রেণী বন্ধ থাকিব বুলি জাননী দিয়ে।প্রদর্শনীৰ নামত শ্রেণী বন্ধ ৰাখিবলৈ দিয়া কথাটোৰ ছাত্রসকলে ভাল নাপালে। ছাত্রসকলৰ অসন্তুষ্টিৰ প্রতি লক্ষ্য ৰাখি অধ্যক্ষই জাননী উঠাই লৈছিল যদিও প্রশাসনৰ হেঁচাত নিৰুপায় হৈ অধ্যক্ষই আৰু কলেজ কর্তৃপক্ষই চৰকাৰী হুকুম মানিবলৈ বাধ্য হৈছিল।ইফালে ছাত্রনেতাসকলে 5 ডিচেম্বৰৰ নিশা জিলা প্রশাসন আৰু কলেজ কর্তৃপক্ষই গোপনে লোৱা যুদ্ধংদেহী মনোভাবৰ বিপৰীতে ধর্মঘট আৰু শোভাযাত্রা কৰাৰ সিদ্ধান্ত লৈ প্রস্তুতি সম্পূর্ণ কৰিছিল। পিছদিনা পুৱা ছাত্রসকলে ক্লাছলৈ গৈ কোঠা বন্ধ দেখি উলটি আহে আৰু পূর্ব-নির্দ্ধাৰিত সিদ্ধান্ত মর্মে সাম্রাজ্যবাদ আৰু যুদ্ধ বিৰোধী শ্লগানেৰে শোভাযাত্রা উলিয়ায়। পাণবজাৰ থানাৰ সমুখেদি আগবাঢ়িবলৈ ধৰে। এই শোভাযাত্রা ডেপুটি কমিছনাৰ হামফ্রে চাহাবৰ নেতৃত্বত বিৰাট পুলিচ বাহিনী শোভাযাত্রাকাৰী দলৰ ওপৰত জঁপিয়াই পৰে। শতাধিক ছাত্র আহত হয়। পুলিচৰ আক্রমণত শোভাযাত্রাকাৰীসকল ছেদেলি-ভেদেলি হ'ল যদিও বর্বৰোচিত লাঠিচালনাৰ প্রতিবাদত লগে লগে অন্যান্য শিক্ষানুষ্ঠানৰ লগতে দোকান-পোহাৰ বন্ধ হৈ যায় আৰু বিপুল সংখ্যক লোক স্বতঃস্ফূর্তভাৱে ওলাই আহি পুলিচ সেই বর্বৰোচিত লাঠিচালনাৰ প্রতিবাদ কৰিছিল। সেই সময়ৰ ছাত্রনেতা উমা শর্মাই তেওঁৰ স্মৃতি লেখাত সেই বিষয়ে বিস্তৃত বিৱৰণি আগবঢ়াইছিল।অমূল্য বৰুৱাৰ মনত সেই ঘটনাই গভীৰ প্রভাৱ পেলাইছিল।

এনে সময়তে অমূল্য বৰুৱাৰ পিতৃ চাকৰি সূত্রে কহিমালৈ বদলি হৈছিল। ফলত জ্যেষ্ঠ পুত্র ৰূপে অমূল্যই মাক আৰু ভায়েক-ভনীয়েকক চোৱা-চিতা কৰিবলৈ যোৱহাটলৈ ঘৰলৈ উভতি যাবলৈ বাধ্য হৈছিল। তেওঁ গুৱাহাটী ত্যাগ কৰি যোৱহাটস্থিত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ আই.এ (Intermediate Arts) শ্রেণীত নাম লগায়। ইতিমধ্যে তেওঁ সুখ্যাতিৰে আই.এছ.চি (Intermediate Science) শ্রেণীত উত্তীর্ণ হৈছিল। সেই সময়ছোৱাত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল পণ্ডিত প্রবৰ কৃষ্ণকান্ত সন্দিকৈ। অমূল্য বৰুৱাই একেখন মহাবিদ্যালয়তে বি.এ শ্রেণীত উত্তীর্ণ হৈ 1945 চনত কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগৰ এম.এ শ্রেণীত নামভর্তি কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক কবি যতীন্দ্রনাথ দুৱৰা কলিকতাত তেওঁৰ স্থানীয় অভিভাৱক আছিল।

মন কৰিবলগীয়া যে 1941 চনৰ 19 মে' তাৰিখে যোৱহাটত গঠিত হোৱা সাহিত্য সভাৰ লগত অমূল্য বৰুৱা জড়িত হৈ পৰিছিল। তেওঁ সাহিত্য সভাৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত অন্যতম আছিল। সেই বছৰৰে 16 জুনৰ দিনা যোৱহাটত কবি যতীন্দ্র নাথ দুৱৰাক সম্বর্দ্ধনা জনোৱা হৈছিল। তাতেই দুৱৰাৰ লগত অমূল্য বৰুৱাৰ সাক্ষাৎ হৈছিল। সেই সাক্ষাতে প্রবীণ আৰু নবীন দুয়োগৰাকী কবিকে আন্তৰিকতাৰ বান্ধোনেৰে বান্ধ খুৱাইছিল। গতিকে কটন কলেজ ত্যাগ কৰি যোৱহাটলৈ উভতি যোৱা ছাত্র-কবি অমূল্য বৰুৱাই যোৱহাটতে এখন বিশাল কর্মক্ষেত্র বিচাৰি পাইছিল। 1941 চনত ডিচেম্বৰ মাহত যোৱহাটৰ সাহিত্য প্রেমীসকলৰ উদ্যোগত *ৰ'দালি সভা* নামৰ সাহিত্য আলোচনাৰ অনুষ্ঠান এটিৰ জন্ম হৈছিল। বয়সত কনিষ্ঠ হ'লেও অমূল্য বৰুৱাকে সেই সভাৰ সম্পাদকৰ দায়িত্বভাৰ অর্পণ কৰা হৈছিল। সেই সভাৰ সদস্যসকলৰ ভিতৰত উল্লেখযোগ্য কেইগৰাকী হৈছে নীলমণি ফুকন (জ্যেষ্ঠ), ডিম্বেশ্বৰ নেওগ, হেম বৰুৱা, আব্দুল মালিক, দেৱেশ্বৰ শর্মা, ইব্রাহিম আলি, মহেশ্বৰ নেওগ, যতি নাৰায়ণ শর্মা, বদন বৰুৱা, ভৱপ্রসাদ ৰাজখোৱা আদি। তেওঁ এবছৰকাল *ৰ'দালি* আলোচনীৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ চাকনৈয়াত স্থবিৰ হৈ পৰা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ আলোচনীখন পুনৰ 1943 চনত অমূল্য বৰুৱা, যতি নাৰায়ণ শর্মা আৰু ৰাজেন হাজৰিকাই পুনর্জীৱিত কৰিছিল।এই মহাবিদ্যালয়তে অমূল্য বৰুৱাৰ কাব্য জীৱন প্রসাৰিত হৈছিল। এই সময়চোৱাতে তেওঁ গণেশ গগৈৰ কাব্য সঙ্কলন *ৰূপজ্যোতি* সম্পাদনা কৰি প্রকাশৰ ব্যৱস্থা কৰিছিল। একে সময়তে যতি নাৰায়ণ শর্মাৰ লগ লাগি আধুনিক কবিতাৰ প্রথম সঙ্কলনখনৰোপ্রস্তুতি চলায়।পৰৱর্তী কালত যতি নাৰায়ণ শর্মাৰ সম্পাদনাত ই প্রকাশিত হয়।

1943 চনত তেওঁ যতিনাৰায়ণ শর্মাৰ লগত কলিকতালৈ গৈছিল। তাত তেওঁৰ সাক্ষাৎ হৈছিল প্রখ্যাত বাংলা কবি বুদ্ধদেৱ বসুৰ লগত। কবি বসুৰ ঘৰতে অমূল্য বৰুৱাই ঘনিষ্টভাৱে লগ পাইছিল সেই সময়ৰ প্রখ্যাত বাংলা কবি-সাহিত্যিকক। তেওঁলোক আছিল ক্রমে কবি বিষ্ণু দে, সমৰ সেন, প্রভাত মুখার্জী আদি।



জানি থোৱা ভাল

বিংশ শতিকাৰ চল্লিশৰ দশকত বুদ্ধদেৱ বসুৰ সম্পাদনাত *কবিতা* নামৰ আধুনিক কবিতাৰ আলোচনীখন প্ৰকাশিত হৈছিল।

অমূল্য বৰুৱাৰ কলিকতা যাত্ৰাৰ কালতে 1943 চনত তালিগঞ্জত অৱস্থিত হৰেণ কলিতাৰ ঘৰত অসুস্থ হৈ থকা জ্যোতিপ্ৰসাদ আগৰৱালাক প্ৰথমবাৰৰ বাবে সাক্ষাৎ কৰিছিল। তেওঁৰ নেৰা-নেপেৰা চেষ্টা আৰু উৎসাহ-উদ্দীপনাই জ্যোতিপ্ৰসাদক *বাঁহী* আলোচনীলৈ কবিতা পঠিয়াবলৈ প্ৰেৰণা যোগাইছিল। তাৎপৰ্যপূৰ্ণ কথা এইয়ে যে জ্যোতিপ্ৰসাদৰ কবিতাই *বাঁহী*ৰ পৃষ্ঠা শুৰনি কৰা সময়তে অমূল্য বৰুৱাই *বাঁহীত বিপ্লৱীৰ সাহিত্যৰ ভূমিকা* শীৰ্ষক প্ৰবন্ধ প্ৰকাশ কৰিছিল। ইতিমধ্যে 1943 চনৰ জানুৱাৰী মাহত কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই *জয়ন্তী*ক প্ৰগতিশীল দৃষ্টিভঙ্গীৰে প্ৰকাশ কৰিবলৈ নতুন উদ্যম লয়। নতুন ৰূপত প্ৰকাশিত *জয়ন্তী*ৰ পৃষ্ঠাতে অমূল্য বৰুৱাক অমৰ কৰি ৰখা দুটি শক্তিশালী কবিতা ক্ৰমে *বিপ্লৱী* (সপ্তম বছৰ, 2য় সংখ্যা, 1946 চন) আৰু *বেশ্যা* (সপ্তম বছৰ, 4র্থ সংখ্যা) প্ৰকাশিত হৈছিল। তদুপৰি বেদনা বৰুৱা ছদ্মনামতো তেওঁ কেইটামান কবিতা ৰচনা কৰিছিল।



জানি থোৱা ভাল

1943 চনত অমূল্য বৰুৱা প্ৰথমবাৰ বাবে কলিকতালৈ যায়। সেই সময়ত অসমৰ পৰা চিকিৎসাৰ বাবে যোৱা জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগত তেওঁৰ সাক্ষাত হয় টালিগঞ্জৰ হৰেণ কলিতাৰ ঘৰত। সেই সাক্ষাতত অমূল্য বৰুৱা আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু যতি নাৰায়ণ শৰ্মাই জ্যোতিপ্ৰসাদক এখন বহী আৰু এডাল কলম দি এইটো 'আন্তৰিক চুক্তি' সমাপণ কৰিছিল যে জ্যোতিপ্ৰসাদে ৰাতি কবিতা লিখি পিছদিনা তেওঁলোকক দিব লাগিব। প্ৰায় দুবছৰকাল জ্যোতিপ্ৰসাদৰ পৰা এনেদৰে কবিতা আদায় কৰি কবিতাসমূহ *বাঁহীত* প্ৰকাশ কৰিছিল। সেই তৰুণ প্ৰগতিশীল কবি দুগৰাকীয়ে তেওঁক কি দৰে উদ্বুদ্ধ কৰিছিল সেই কথা বৰ্ণনা কৰি আগৰৱালাই যতি নাৰায়ণলৈ লিখা 1946 চনৰ 17 ছেপ্টেম্বৰৰ চিঠিত ইয়াৰ উল্লেখ আছে এনেদৰে— "কলিকতাৰ টালিগঞ্জত থাকোঁতে অমূল্য আৰু তুমিয়েই মোৰ কবিতাৰ জাগৰণ আনি দিলা। তাৰ আগতে মই ঠিক কবি কেতিয়াও নাছিলোঁ। দুয়োকে লগ পোৱাৰ পাছৰ পৰাই মোৰ কবিতাৰ ঢল আহিবলৈ ধৰিলে।"

1945 চনত জে. বি. মহাবিদ্যালয়ৰ পৰা তেওঁ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ এম.এ শ্ৰেণীত নামভৰ্তি কৰে। কবিৰ অন্তৰঙ্গ বন্ধু যতি নাৰায়ণ শৰ্মাৰ লেখাৰ পৰা জানিব পাৰি যে 1943 চনৰ শেষ ভাগৰ পৰাই

প্রগতিশীল জীৱন দর্শনৰ ভেটিত তেওঁৰ জীৱনাদর্শৰ দ্রুত পৰিৱর্তন ঘটিছিল। কলিকতাৰ বাঁওপন্থী লেখক-কর্মী গোপাল হালদাৰ প্রমুখ্যে ব্যক্তিৰ সান্নিধ্য তথা *জয়ন্তী* গোষ্ঠীৰ লেখক-আলোচকসকলৰ লগত থকা অন্তৰিক সম্পর্কই তেওঁৰ কবিতাত নতুন শক্তিৰ সঞ্চাৰ কৰিছিল। তেওঁৰ সেই পৰিৱর্তিত জীৱনাদর্শৰ কথা 1943 চনৰ 8 আগষ্ট তাৰিখে তেওঁৰ বন্ধু পদ্মধৰ (পদুম) বৰুৱালৈ লিখা চিঠিত সুন্দৰভাৱে ফুটি উঠিছে। তেওঁ লিখিছিল, "মোৰ কবিতাৰ ধাৰাটো সম্পূর্ণ সলনি কৰি দিছোঁ। ৰিয়েলিজমৰ সংস্পর্শত আহি নিজ মানুহটোক বহুতখিনি সামাজিক দৃষ্টিভঙ্গীৰে চাবলৈ ধৰিছোঁ।" *শেষ শান্তি*নামৰ কবিতাটোৰ মাজেদি যেন কবিৰ সেই আত্ম-জিজ্ঞাসা ফুটি উঠিছে—

মোৰ কবিতাত আজি ভাগৰি পৰিছে হায়
অলস স্বপ্নৰ
কোনোবা তৰুণীৰ প্রাণে কোমল কৰা
ছন্দৰ লহৰ
দুচকুৰ পোহৰৰ প্রেম দীপ্তিত জ্বলা
মনৰ আভাস
নন্দনৰ বিলাসী বনত বহি অমৰ কবিতা লিখা
মিছা অভিলাস

মন কৰিবলগীয়া যে কবিতাৰ বিলাসী কানন এৰি বাস্তৱ জীৱনৰ, কঠোৰতম উপলব্ধিসমৃদ্ধ এনে আত্ম-স্বীকাৰোক্তিমূলক সুৰ জ্যোতিপ্রসাদৰ কবিতাৰ মাজতো শুনিবলৈ পোৱা যায়। জীৱনটোক বাস্তৱ দৃষ্টিভঙ্গীৰে প্রত্যক্ষ কৰা কবিৰ সাম্যবাদী সমাজৰ ওপৰত গভীৰ আস্থা আছিল। *ভাৰতীৰ মুক্তিৰ স্বপ্ন*নামৰ কবিতাটোত তেওঁৰ সেই চিন্তাৰ অনুৰণন ঘটিছে—

মোৰ তপস্যাৰ মহা সাধনাৰ ধন
যুগে যুগে তুমি হ'বা
বুকুৰ সন্তান
হে হিন্দু হে মুছলমান
মুক্তি ভাৰতীৰ
কৰি উচ্চ শিৰ
মুক্তিৰ আলোকব্রতী
বিশ্বজিৎ সত্যৰ পূজাৰী

মানুহে নিজৰ তুচ্ছ স্বার্থ পূৰণৰ বাবে সৃষ্টি কৰা ধর্ম, সম্প্রদায়, জাতি, বর্ণৰ ঊর্ধ্বত তেওঁ কামনা কৰিছিল এখন সাম্যবাদী সমাজ য'ত ধনৰ টোপোলাতকৈ মানৱীয় চিন্তা আৰু বিচাৰবোধে প্রাধান্য লাভ কৰিব। অতি পৰিতাপৰ কথা, এনে এগৰাকী সৎ ব্যক্তি অকালতে নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ বলি হ'বলগীয়া হয়।

1946 চনৰ 18 আগষ্টত কলিকতাৰ সাম্প্রদায়িক সংঘর্ষত গুণ্ডাবাহিনীয়ে নির্মম পাশৱিকতাৰে তেওঁক ছাত্রাবাসৰ বাৰান্দাতে হত্যা কৰে। তেওঁৰ কলিকতাৰ অভিভাৱক যতীন্দ্র নাথ দুৱৰাই পৰিস্থিতিৰ ভয়াৱহতালৈ চাই তেওঁৰ লগতে থাকিবলৈ বাৰে পতি অনুৰোধ কৰা সত্ত্বেও মানুহৰ ওপৰত অগাধ বিশ্বাস স্থাপন কৰা ভৱিষ্যতৰ ৰঙা সূর্য্যৰ পিনে চকু ৰখা এই ব্যক্তি গৰাকী ছাত্রাবাসলৈকে ঘূৰি আহিছিল।

সংঘর্ষ পীড়িত অঞ্চলৰ পৰা পুলিচে ছাত্রসকলক নিৰাপদ ঠাইলৈ নিবলৈ আহিও অমূল্য বৰুৱাক বচাব নোৱৰিলে। ছাত্রাবাসৰ সন্মুখত আহি পুলিচৰ গাড়ী ৰৈছিল যদিও তেওঁ হোষ্টেলৰ পৰা ওলাই আহিও ঘূৰি গৈছিল, দৰকাৰী বস্তু কেইপদমান আনিবলৈ। তাৰ ভিতৰত তেওঁৰ পৰিকল্পিত কাব্যপুথি *অচিনাৰ* পাণ্ডুলিপিও আছিল। কিন্তু তেওঁ হোষ্টেলৰ পৰা ওলাই অহাৰ আগতেই পুলিচৰ গাড়ী আঁতৰি গৈছিল।



জানি থোৱা ভাল

সাম্প্রদায়িকতাৰ বিৰুদ্ধে মানৱতাবাদী কবিতা ৰচনা কৰা প্রগতিশীল কবি অমূল্য বৰুৱা আৰু তেওঁৰ প্রথম কবিতাপুথিৰ পাণ্ডুলিপিও চিৰদিনৰ বাবে হেৰাই গ'ল। পুলিচৰ হেফাজতত থকা তেওঁৰ ৰচনাৰাজিও উদ্ধাৰ নহ'ল। উদ্ধাৰ নহ'ল আকাশবাণী কলিকতাৰ পৰা প্রচাৰিত তেওঁৰ নাটক আৰু অন্যান্য ৰচনা। কবিৰ প্রস্তাৰিত প্রথম কাব্য সঙ্কলনৰ নামকৰণেৰেই 1964 চনত নন্দ তালুকদাৰে তেওঁৰ কবিতাখিনি বহু পৰিশ্রমেৰে সংকলন কৰি প্রকাশ কৰিছিল। দুর্ভাগ্যবশতঃ সেইখনো বর্তমান দুষ্প্রাপ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক্ষণজন্মা কবি অমূল্য বৰুৱাৰ কাব্য প্রতিভা কি দৰে ফুটি উঠিছিল? (150টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন নং ২ ঃ অমূল্য বৰুৱাৰ কর্মজীৱনৰ চমু লেখ আগবঢ়াওক। (150টা শব্দৰ ভিতৰত লিখিব)

১১.৩.২কবিতাটিৰ মূল পাঠ

বেশ্যা

কুৰি শতিকাৰ যান্ত্রিক যুগৰ সভ্যতাৰ
তায়ো এজনী মানুহ।
তেজ, মাংস, অস্থি, চর্ম, স্নায়ুৰে ভৰা
যন্ত্রমান দেহ পিঞ্জৰাটোৰ মাজত

বায়বীয় জীৱটোৰ
আৱশ্যকীয় ভোকৰ ভাত আৰু পিয়াহৰ পানীৰ
অভাৱটোৱেই যেতিয়া চূড়ান্ত
আৰু তাৰ বাবেই যেতিয়া এমুঠি টকাৰ প্ৰয়োজন
আত্ম-সন্মানৰ দাম্ভিক চক্-চকীয়া মুখা পিন্ধা
ৰায়চাহেব শৰ্ম্মা, খানবাহাদুৰ ইক্বাল
ই. এ. চি. ফুকনৰ বুকুতো যেতিয়া
তেওঁলোকৰ ঘৰৰ ডিঙিত শিকলি দিয়া বিলাতী কুকুৰটোৰ দৰে
চেপি ৰখা দূৰন্ত কামনাৰ তাড়না
আৰু তাৰে চৰিতাৰ্থৰ বাবেই চোৰৰ দৰে আন্ধাৰৰ আঁৰ লৈ
তাইৰ ঘৰলৈ সিহঁতৰ গোপন আগমন
এটোপা সু�ৰা আৰু 'ছাকী'ৰ চাকনৈয়াত উটি
ওমৰৰো যেতিয়া জীৱনৰ নিগূঢ় কৰুণতাৰ
দাৰ্শনিক ব্যাখ্যা দিয়াৰ একান্ত অধিকাৰ
সমাজৰ ব্যভিচাৰত কক্ষচ্যুত,
অৰ্থনৈতিক সমস্যাত জলাকলা
পৰসুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক
আত্ম-সন্মান, নাৰী পৱিত্ৰতাৰ বিৰাট প্ৰবঞ্চনাৰে ঠগি
তিলে তিলে জহি যাবলৈ দিয়া অৰ্থহীন কৌতুহলটোক
তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈয়ো বিড়ম্বনা বুলি ভাবে
সেয়েহে হয়তো
সু�ৰা গান আৰু নৃত্যৰ মজলিছৰ আৰাম 'কামৰাত'
পৃথিৱীৰ বোকাৰে সজা দেহা বেচি
তাই হল নৃত্যৰতা, কামৰতা, কলুষ বেশ্যা
আজিৰ নগণ্য আত্ম-সন্মানৰ ভীৰুতাক বিসর্জন দি
তাই বাছি ল'লে জীৱনৰ এটি সহজ নিশ্চিন্ত উপায়।
কিন্তু সিমান সহজো নহয়।
তাৰবাবে তাইক লগা হ'ল
বিশ্ব বিখ্যাত মনোবিজ্ঞান বৈশ্লেষণিক পণ্ডিত ফ্ৰয়েডৰ,
যৌন তাত্ত্বিক হেভলক্ ইলিচৰ
যৌন-তত্ত্বৰ ক খ গ ৰ জ্ঞান;
গৰ্ভৰোধ, গৰ্ভপাতৰ কিছুমান সহজ উপায়;
বাৎসায়নৰ কাম-শাস্ত্ৰৰ প্ৰেমাভিনয়ৰ কিছুমান উন্নত মনোৰঞ্জক

লাস্য,
অৰিয়েণ্টেল নৃত্য আৰু সঙ্গীতৰ নিখুঁত সুৰ আৰু ভঙ্গিমা
তানপুৰা আদি যন্ত্রবাদ্যৰ এটা পূৰা 'ছেট';
সেমেকা সন্ধিয়া গৰম কৰা Red sealed XXX Rum-অৰ
কিছুমান ৰঙা বটল;
বেঙ্গল কেমিকেল কোম্পানীৰ সুগন্ধি প্রসাধন;
কমলালয়ৰ কেইখনমান আকাশী ৰঙৰ শাড়ী;
আৰু কত কি ?
—তাইৰ বাবে নহয়,
এইবিলাক 'চব' সিহঁতৰ বাবে।
সিহঁতক লাগে কেৱল আনন্দ
কেৱল কামনা তৃপ্তিৰ কোলাহলপূর্ণ মাতলামিৰ এখন বোৱতী
সুঁতি।
আৰু তাই যেনিয়া সিহঁতৰ
টোপনিৰপৰা উঠা অলস চিন্তাৰ একাপ গৰম মিঠা চাহ,
টকাৰ এৰাঁ সূতাৰে টনা এটা নিষ্প্রাণ কাঠৰ পুতলা নাচ
তাইৰ নাই জীৱন, তাইৰ নাই ভাগৰ, তাইৰ নাই কোনো ক্লেশ;
তাই জীৱনৰ সহজ গতিটোৰ
ৰুদ্ধ হৈ যোৱা স্বাভাৱিক প্রসাৰতাৰ প্রতি সিহঁত অন্ধ।
প্রগতিশীল 'ইনটেলেক্‌ছুৱেল' কবি মিঃ বৰুৱাই হয়তো নির্ভীক
ভাবেই কয়;
এই বাৰাঙ্গনা কাৰাগাৰে সমাজৰ যিমানেই অনিষ্ট নকৰক
মই গৌৰৱ কৰোঁ
ভাৰতৰ দুটা পুৰণি ৰত্ন আজিও সিহঁতে জীয়াই ৰাখিছে,
অৰিয়েণ্টেল ডানচ্‌ আৰু অৰিয়েণ্টেল মিউজিক্‌।
সিহঁত নোহোৱা হ'লে একেবাৰে লোপ পালেহেঁতেন।
অর্থনীতিৰ অধ্যাপক বানার্জীয়ে হয়তো ক'ব;
ভাৰতৰ বর্তমান অর্থনৈতিক অৱস্থাত ইহঁত অৱশ্যম্ভাৱী
ইহঁতৰ জন্ম কোনো বিদ্যুৎ-প্রবাহো নহয়,
বজ্রপাতৰ আকস্মিক আঘাতো নহয়।
'অমৃত বাজাৰ'ৰ সম্পাদকে সেয়েহে হয়তো আমাক বাতৰি যোগায়
অকল কলিকতা মহানগৰীতে 45 হাজাৰৰো ওপৰ
গৱর্ণমেণ্টক কৰ শোধোৱা

(চমৎকাৰ গৱর্ণমেণ্টৰ ধন উপার্জনৰ পথ)
আৰু বা ক'ত বে-আইনী বেশ্যাৰ বাস।
কিন্তু সিহঁতৰ বে-আইনী ব্যৱসায়ত নাই
'মুনাফাখোৰ' পণ্ডিত সিঙৰ
100 টিং চোৰাং মিঠাতেলৰ লাভৰ অংশ
বা মন্ত্রী আলি চাহাবৰ ভতিজাক
টেক্সটাইল চুপাৰিন্টেনডেণ্ট আশ্রফ আলিৰ
গোপন সন্মতি গ্রাহী ক'লা বজাৰৰ চোৰাং ধনৰ ভাগ
নাইবা মৰা অসমীয়াৰ পচা জঁকা টানি
অসমৰ উর্বৰা পতিত মাটিত জাকে জাকে পমুৱা শগুণৰ
আক্রমণমুলক বেআইনি দখল।
তাইৰ মার্জিত অর্জন মাত্র
চৌখিন ধনীৰ যুক্তি সন্মত ব্যয়ৰ এটা নগণ্য অংশ,
তাইৰ ওঁঠত নাই নিষ্পেষিতৰ বুকু শোহা
কেঁচা তেজৰ নিলাজ চেকা।
আছে মাথোঁ বিলাসী ধনীৰ মোনাৰ টকাৰে কিনা
লিপ্‌ষ্টিকৰ সমুজ্জ্বল ৰং
তথাপি তাইক সকলোৱে ঘিণ কৰে, হাঁহে,
হায় লাঞ্ছিতা বেশ্যা।
কিন্তু আন্ধাৰৰ আঁৰৰ কামুক ভদ্রবেশী দস্যুৰ দল
পোহৰত ইমান জিলিকা।
হুইটমেনে অৱশ্যে কান্দে,
এজনে কান্দে তাইৰ সৌন্দর্য্যৰ জঁকাটোত
কৃত্রিম প্রসাধনৰ অত্যাচাৰেৰে
ঈশ্বৰৰ সুন্দৰ সৃষ্টিত আনৰ মন-যোগনীয়াৰ হ'বৰ বাবে;
দুটা টকা অহাৰ বাট মুকলি ৰখাবৰ বাবে
ধুনীয়া বোলাবৰ হাঁহি উঠা বাসনাটো দেখি।
ইজনে কান্দে পতিতা 'গাভৰু ওঁঠৰ লালিমাৰ' বাবে
তেওঁৰ উদভ্রান্ত প্রেমিক হৃদয়ৰ মানৰীয় কামনাৰ পলাশ জুইত
উৰণীয়া চগাৰ দৰে আত্ম-আহুতি দিয়াৰ নিমন্ত্রণ জনাই
তেওঁ কান্দে কুৰি শতিকাৰ নির্ভীক দেৱদাসীৰ বাবে।
অজন্তা ইলোৰাৰ ৰূপদক্ষ শিল্পীৰতো তাই এক অভাৱনীয়
প্রয়োজন

উলঙ্গ নাৰী-সৌন্দর্য্যৰ সাধনাৰ গোপন কক্ষত
তাইৰে জীৱন্ত সৌন্দর্য্যৰ চিৰ-নতুন প্রতীক।
আৰু এই সংগ্রামলিপ্ত কামনাৰ আগত উছর্গিত
খাকী জীৱনবিলাকৰ উন্মত্ত কাম বুভুক্ষাৰ পথত
তাই এক সামাজিক শৃঙ্খলাৰ শাসক।
কিন্তু সমাজৰ ধৰণীধৰ দলেই তাইক ভয় কৰে আটাইতকৈ বেছি;
দেশদ্রোহী, জাতিদ্রোহী, সমাজদ্রোহী, তাই,
অগ্নিক সাক্ষী কৰি লোৱা কত পতিব্রতা স্ত্রীৰ
মদ্যপায়ী জন্তু স্বামীৰ তায়ে সর্বনাশৰ হেতু।
কত ভৱিষ্যৎ দেশ-গৌৰৱ, দেশ-নেতাৰ
উদভ্রান্ত যৌৱন মাদকতাৰ ভোগ যাচি
ক্ষয়ৰোগ, গনোৰিয়াৰ যন্ত্রণাত অকাল মৃত্যুৰো মূল তায়ে।
তাতোকৈ,
চৰিত্রৰ কর্ণধাৰ, সমাজত নীতি বিচাৰৰ ফটা-ঢোল কোবোৱা
বৰমূৰীয়াসকলৰ গোপন চৰিত্রৰ তাই যে কষটিশিল।
তথাপি তুমি মহীয়ান্
হে গোপন প্রিয়া—
কুৰিখন চাহ বাগানৰ মালিক বৰুৱা হাকিমে
হাজাৰ কুলীৰ তেজ শুহি অনা অক্ষয় ঐশ্বর্য্যৰ
তুমি কি শান্তি ৰূপী লক্ষ্মী গৃহিণী।
মনীষীসকলৰ তর্ক চক্রত তুমি যে এক গৱেষণাৰ বিষয়
ভাৰতৰ স্বাধীনতাতকৈও গুৰুতৰ,
চান্ফ্রাঞ্চিচকোৰ ভৱিষ্যত আন্তর্জাতিক পৰিকল্পনাতকৈও সমস্যাপূর্ণ
কোনে জানে তোমাৰ চকুত, তোমাৰ ওঁঠত, তোমাৰ দেহত
মনালিছাৰ কি ৰহস্যময় লাস্য,
সি আত্ম-প্রতিষ্ঠা আত্ম-তৃপ্তিৰ গোপন অর্থপূর্ণ হাঁহি,
নে সমাজৰ অবিচাৰ অন্যায়ৰ বিৰুদ্ধে কটাক্ষ বিদ্রূপ,
প্রতিহিংসাৰ অস্ফুটিত উত্তপ্ত লাভাৰ জ্বলন্ত ফিৰিঙতি?
ধন্য হে কুৰি শতিকাৰ নৃত্যশীলা কোকিল-কণ্ঠা চিত্রলেখা,
তোমাৰ ছলনাত
শত অনিৰুদ্ধ, অসুৰ বাণৰ ৰুদ্ধ কাৰাগাৰত বন্দী,
দ্বাপৰ যুগৰ শ্রীকৃষ্ণৰ অব্যর্থ সুদর্শন চক্রও হয়তো
তোমাৰ আগত শক্তিহীন।

তোমাৰ একো নাই—
আছে মাথোঁ অলস বাহুৰ এটি প্ৰাণহীন দুৰ্বল বান্ধনি,
এটি তেজ নাইকিয়া শেতা হাঁহি
আৰু উলঙ্গ দেহৰ উৎকট কামুকতা,
হে যান্ত্ৰিক যুগৰ যন্ত্ৰপ্ৰায় বিশ্ব প্ৰিয়া
কোনে কয় তুমি বাৰাঙ্গনা ?
তুমিয়ে ধনীক সম্প্ৰদায়ৰ বিৰুদ্ধে বনুৱাৰ শ্ৰেণী সংগ্ৰামৰ
এটা সংকট পূৰ্ণ 'ষ্ট্ৰেটেজিক পইণ্ট'
তুমি কুৰি শতিকাৰ লগ্ন সভ্যতাৰ
নিৰ্ভীক বীৰাঙ্গনা।

১১.৩.৩কবিতাটিৰ বিষয়বস্তু

1946 চনত *জয়ন্তীৰ* পৃষ্ঠাত প্ৰকাশ হোৱা *বেশ্যা* কবিতাটো ক্ষণজন্মা কবি অমূল্য বৰুৱাৰএক পৈণত সৃষ্টি বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। তথাকথিত ভদ্ৰ সমাজত 'বেশ্যা' ৰূপে গণ্য হোৱা নাৰীসকল পতিতা নাৰীৰ শ্ৰেণীত পৰে। পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীসদায়েই দ্বিতীয় শ্ৰেণীৰ নাগৰিক। ৰক্ষণশীল সমাজত নাৰীৰ স্থিতি অতি পুতৌজনক। নীতি-নিয়ম, নৈতিক শৃঙ্খলা আদি এশ একুৰি বাধ্যবাধকতাৰে তেওঁলোক শৃঙ্খলিত। তেনে প্ৰতিকূল পৰিস্থিতিত যদি কেতিয়াবা নাৰী পৰোক্ষভাৱে বা প্ৰত্যক্ষভাবে কিবা নৈতিক অপৰাধত অপৰাধী হয়, তেতিয়া হ'লে পুৰুষতান্ত্ৰিক সমাজে তেওঁক অসতী নাৰী বিশেষণ প্ৰদানেৰে শাৰীৰিক, মানসিক তথা সামাজিকভাবে লঘু-লাঞ্ছনা কৰি তেনে নাৰীৰ জীৱন নৰকতুল্য কৰি তোলে। অথচ তেনে নাৰীক বিপথে পৰিচালিত কৰাৰ মূলতে পুৰুষ সমাজ। অথচ বেছি ভাগ ক্ষেত্ৰতে তেনে নৈতিক অপৰাধত দোষী পুৰুষৰ বাবে লঘু শাস্তিৰহে বিধান থাকে। জীয়াই থকাৰ তাড়ণাতেই হওঁক বা অন্য কিবা কাৰণতেই হওক তেনে বহুত নাৰীয়ে গণিকা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য হয়। গণিকা বা বেশ্যাৰ ঘৃণিত জীৱনৰ বাবে তথাকথিত সমাজ ব্যৱস্থাই দায়ী। *বেশ্যা* কবিতা-টোত কবি অমূল্য বৰুৱাই সেই সামাজিক দিশবোৰলৈ সূক্ষ্ম দৃষ্টি নিক্ষেপ কৰাৰ লগতে তেনে পতিত নাৰীৰ ঘৃণিত জীৱন আৰু তেওঁৰ দৃষ্টিত তেওঁৰ ওচৰলৈ নিশাৰ অন্ধকাৰৰ সুযোগ লৈ অহা মুখা পিন্ধা ভদ্ৰলোকসকলৰ গোপন, নীচ জীৱন আৰু চিন্তাধাৰাৰ প্ৰতি তেওঁৰ যি মনোভাব তাক তীক্ষ্ণ শ্লেষ আৰু ব্যঞ্জনায় ভাষাৰে ব্যক্ত কৰিছে।

সমাজত দুখীয়াৰ স্থানো নাই মানো নাই। ধনৰ অভাৱেই তেনে লোকৰ বাবে সকলো অনৰ্থৰ মূল। অৰ্থনৈতিক নিৰাপত্তাৰ অভাৱে এগৰাকী অসহায় নাৰীক অধিক বিপদজনক স্থিতিত পেলায়। মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে তেওঁক অন্ন, বস্ত্ৰ আৰু বাসস্থান লাগিবই। অথচ তেওঁৰ নিঃসহায় ৰূপ দেখিও সমাজৰ কোনো সদাশয়

ব্যক্তিয়ে মানবীয়তাৰ খাতিৰত তেওঁক নিঃস্বার্থভাৱে সহায় কৰিবলৈ আগবাঢ়ি নাহে। সেই বাবে, তেনে নাৰীয়ে প্ৰাচীন কালৰ পৰা ভাৰতত চলি অহা এনে বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য। প্ৰাচীন কালৰ 'নগৰ বধূ' আজিৰ আধুনিক সময়ত 'বেশ্যা' লৈ পৰিৱৰ্তিত হৈছে। তাইৰ সেই বৃত্তিটোৱে যেন তথাকথিত কল্যাণকামী সমাজৰ অভিধাটোক তাচ্ছিল্য কৰিছে। সমাজৰ উদাসীনতা, অনমনীয়তা আৰু স্বার্থপৰতাক তাই অৱজ্ঞাৰ দৃষ্টিৰে চাই নিজ মনে আগবাঢ়িছে। প্ৰতিকূলতাৰ বিৰুদ্ধে থিয় দিবলৈ গৈ তাই এক দুঃসাহসিক পদক্ষেপ গ্ৰহণ কৰিছে। কবিৰ ভাষাত—

সমাজৰ ব্যভিচাৰত কক্ষচ্যুত,
অর্থনৈতিক সমস্যাত জলাকলা
পৰমুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক
আত্ম-সন্মান, নাৰী পৱিত্ৰতাৰ বিৰাট প্ৰবঞ্চনাৰে ঠগি
তিলে তিলে জহি যাবলৈ দিয়া অর্থহীন কৌতূহলটোক
তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈয়ো বিড়ম্বনা বুলি ভাব
সেয়েহে হয়তো
সুৰা গান আৰু নৃত্যৰ মজলিছৰ আৰাম 'কামৰা'ত
পৃথিৱীৰ বোকাৰে সজা দেহা বেচি
তাই হল নৃত্যৰতা, কামৰতা, কলুষ বেশ্যা
আজিৰ নগণ্য আত্মসন্মানৰ ভীৰুতাক বিসর্জন দি
তাই বাছি ল'লে জীৱনৰ এটি সহজ নিশ্চিত উপায়।

ৰায় চাহেব শর্ম্মা, খানবাহাদুৰ ইক্‌বাল, ই. এ. চি ফুকনৰ নিচিনা 'ভদ্রলোকে' শৃঙ্খলাবদ্ধ সমাজত থাকি তেওঁলোকৰ জান্তৱ প্ৰবৃত্তি আৰু কাম স্পৃহা চৰিতার্থ কৰিব নোৱাৰে। বিকল্প হিচাপে তেনে ভদ্রলোকে গ্ৰহণ কৰে নিশাৰ অন্ধকাৰত বেশ্যালয়লৈ গমনৰ পদক্ষেপ। তেওঁলোকৰ নিচিনাকৈ চোৰাং মিঠাতেলৰ ব্যৱসায় কৰা 'মুনাফাখোৰ' পণ্ডিত সিং, ক'লা ধন সংগ্ৰহকাৰী মন্ত্ৰীৰ ভতিজাক টেক্সটাইল ছুপাৰিন্‌টেনডেণ্ট আশ্ৰফ আলি আদি সকলোৱে বেশ্য বৃত্তি গ্ৰহণ কৰা নাৰীগৰাকীৰ সান্নিধ্য লাভৰ বাবে ব্যাকুল। সেই অভিজাত পুৰুষশ্ৰেণীটোৰ মন যোগাবলৈ নাৰীগৰাকীয়ে কিছু যত্ন কৰিব লগীয়া হয়। সেই বিশেষ বৃত্তি গ্ৰহণ কৰা নাৰী 'চৌষষ্টি কলা'ত বিশাৰদ হ'ব লাগিব। ব্যৎসায়নৰ কামশাস্ত্ৰৰ লগতে শংকাহীন সম্ভোগ, অৰিয়েণ্টেল নৃত্য আৰু সঙ্গীতৰ জ্ঞানৰ লগতে তেওঁ 'সেমেকা সন্ধিয়া গৰম কৰা Red sealed XXX Rumৰ কিছুমান ৰঙা বটল' সাজু কৰি ৰাখিব লাগিব। লগতে সেই বিশেষ আলহীৰ আগত ওলাবলৈ তেওঁ নিজকে ধুনীয়াকৈ সজাব-পৰাব লাগিব। সেইবোৰ কৰিবলৈ নাৰী-গৰাকীৰ আন্তৰিক আগ্ৰহ বা আনন্দবোধ নাই। নিত্যান্ত যান্ত্ৰিকভাৱে তেওঁ কেবল 'সিহঁত'ৰ বাবে তেনে কৰিবলৈ 'বাধ্য'।

সেই নাৰীয়ে জানে যে তাইৰ ঘৃণিত জীৱনটো, তাইৰ কামুক শৰীৰটো অর্থহীন। তাক লৈ তাইৰ কোনো গর্ব-অহঙ্কাৰ নাই। অথচ তাই এইটোৱো জানে যে যি খন সভ্য সমাজে তাইক হেয় জ্ঞান কৰে, তাইক সভ্য সমাজত স্থান দিব নোখোজে, সেই একেখন সমাজে পৰোক্ষভাৱে তাইৰ উপার্জনৰ এটা অংশ ভোগ কৰি আহিছে। সেই অবহেলিত, অর্থনৈতিকভাবে শোষিত নাৰী সত্তাৰ অৱদমিত ক্ষোভ কবিকণ্ঠত এই দৰে ব্যক্ত হৈছে—

অর্থনীতিৰ অধ্যাপক বানার্জীয়ে হয়তো ক'ব;
ভাৰতৰ বর্তমান অর্থনৈতিক অৱস্থাত ইহঁত অৱশ্যম্ভাৰী
ইহঁতৰ জন্ম কোনো বিদ্যুৎ-প্রৱাহো নহয়,
বজ্রপাতৰ আকস্মিক আঘাতো নহয়।
'অমৃত বাজাৰ'ৰ সম্পাদকে সেয়েহে হয়তো আমাক
অকল কলিকতা মহানগৰীতে 45 হাজাৰৰো ওপৰ
গৱর্ণমেণ্টক কৰ শোধোৱা
(চমৎকাৰ গৱর্ণমেণ্টৰ ধন উপার্জনৰ পথ)
আৰু বা ক'ত বে-আইনী বেশ্যাৰ বাস।

কবিয়ে তাৎপর্য্যপূর্ণভাৱে বাৰাঙ্গনা গৰাকীক ধনীক সম্প্রদায়ৰ বিৰুদ্ধে বনুৱা শ্রেণী সংগ্রামৰ এটা সঙ্কটপূর্ণ 'ষ্ট্রেটজিক পইণ্ট' ৰূপে আখ্যা দিছে। ইয়াৰ কাৰণো নোহোৱা নহয়। অর্থলোলুপ, শোষক শ্রেণীটোৱে শ্রমজীৱী সাধাৰণ শ্রেণীটোক সকলো ফালৰ পৰা নিস্পেষণ কৰে। দুর্বল শ্রেণীটোৱে প্রতিবাদ কৰিব নোৱাৰে কাৰণ সিবিলাক ধনীক শ্রেণীৰ মুখাপেক্ষী। সিবিলাকে মাথোন নীৰৱে সকলো দমন, নিপীড়ণ সহ্য কৰি যায়। বাৰাঙ্গনা গৰাকীক পুঁজিপতি, ধনীক শ্রেণীটোৱে অন্যান্যক কৰা দৰে অর্থনৈতিকভাবে শোষণ কৰিব নোৱাৰে। বৰঞ্চ কুৰিখন চাহ বাগিচাৰ মালিক বৰুৱা হাকিমে হাজাৰ কুলীৰ তেজ শুহি অনা অক্ষয় ঐশ্বর্য্য ভাণ্ডাৰ ৰূপৰ ৰাণী সেই বাৰাঙ্গনাৰ চৰণত অর্পণ কৰে। কাম ভাবত আতুৰ বাৰাঙ্গনাৰ সেই প্রেমিকে নিজৰ ধন-সম্পত্তি সকলো হেলাৰঙে সেই নাৰীক সমর্পণ কৰিব পাৰে। অথচ সেই একেজন ব্যক্তিয়ে তেওঁৰ বাবে তেজক পানী কৰি শ্রম কৰা দুখীয়া শ্রমিকজনক প্রাপ্য সামান্য মজুৰিৰ পৰাও বঞ্চিত কৰিবলৈ কুণ্ঠাবোধ নকৰে।

কবিয়ে কোৱাৰ দৰে নিঃসন্দেহে বাৰাঙ্গনা গৰাকী এক ষ্ট্রেটিজিক স্থানত অৱস্থান কৰিছে কিয়নো তেওঁৰ সন্মুখত সমাজৰ সকলো শ্রেণীৰ লোক 'মানসিক বাবে উলঙ্গ' হৈ পৰে। অর্থাৎ সকলোৱে সঘত্নে পিন্ধি থকা মুখাবোৰ তেওঁৰ সন্মুখত খহি পৰে। সেই বাবে নীতিবাগীশৰ দৰেআচৰণ কৰা বহুতেই সেই নাৰীক ঘৃণা কৰিলেও তেওঁক আওকাণ কৰিব নোৱাৰে। তেওঁৰ হাততে সমাজৰ এনে কিছুমান বহুমূলীয়া গোপন দস্তাবেজ সংৰক্ষিত যাৰ প্রকাশে হয়তো সমাজ জীৱনত তুমুল আলোড়ন সৃষ্টি কৰিব পাৰে। তাৰ কাৰণতো হ'ল তথাকথিত সৎ চৰিত্রৰ কর্ণধাৰ, সমাজত নীতি বিচাৰৰ ফটা-ঢোল কোবোৱা বৰমূৰীয়াসকলৰ গোপন চৰিত্রৰ তাই হ'ল কষটিশিল।

এনে স্থূলত তথাকথিত সভ্য, নৈতিক গুণেৰে গুণান্বিত সমাজখনৰ দৃষ্টিত বেশ্যা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য হোৱা নাৰীগৰাকীৰো মূল্য আছে। তেৰোঁ চেতনা থকা, অনুৰাগ-অনুভূতিযুক্ত ৰক্ত-মাংসৰ শৰীৰ। যিখন সমাজত ধনী-দুখীয়া, শোষক-শোষিতৰ শ্ৰেণী সংঘাত আছে, সেইখন সমাজৰ দুমুখীয়া নীতি-আদৰ্শৰ চাক্ষুষ সাক্ষী হ'ল সেই নাৰী, যি সকলক সভ্য সমাজে আৱৰ্জনা জ্ঞান কৰে। অথচ সুগন্ধি ফুলৰ আঁৰতো যে তীক্ষ্ণ বিষযুক্ত কাঁইট লুকাই থাকিব পাৰে সেয়া বেশ্যা বৃত্তি গ্ৰহণ কৰা নাৰী গৰাকীয়ে ভালকৈয়েই বুজি পায়। সেইফালৰ পৰা বিবেচনা কৰিলে *বেশ্যা* কবিতাটোৰ মাজেদি সমাজৰ পঙ্কিল দিশৰ বাস্তৱ ৰূপায়ন ঘটিছে। ইয়াৰ লগতে সমাজৰ অৱহেলিত, ঘৃণিত গণিকা জীৱনৰ সপক্ষে কবিৰ কলম সোচ্চাৰ হৈ উঠিছে। প্ৰগতিশীল চিন্তাৰ বাহক কবি অমূল্য বৰুৱাৰ এনে সংস্কাৰকামী মনোভাবে *বেশ্যা* কবিতাটিক শক্তিশালী কবি তুলিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ *বেশ্যা* কবিতাত সমাজৰ দ্বাৰা ঘৃণিত নাৰী গৰাকীৰ দৃষ্টিত সমাজখনে কি ৰূপত ধৰা দিছে?

[350টা শব্দৰ ভিতৰত লিখক)

১১.৩.৪কবি হিচাপে অমূল্য বৰুৱাৰ মূল্যায়ন

ভাব-অনুভূতিযুক্ত মানসিক জগতখনেই কাব্য সৃষ্টিৰ কঠিয়াতলী। সেয়ে হ'লেও উপযুক্ত শব্দকৰ্ষণৰ জৰিয়তে সৃষ্ঠ প্ৰকাশক্ষম ভাষাৰে ব্যক্ত কৰিব পাৰিলেহে কবিৰ শ্ৰম সাৰ্থক হয়। তেওঁৰ সেই সৃষ্টিয়ে পাঠকৰ মনত আহ্লাদ সৃষ্টি কৰে। চিন্তাৰ খোৰাক যোগায়। প্ৰকৃতাৰ্থত তেতিয়াহে তেওঁৰ সাধনা সাফল্যমণ্ডিত হয়। বাহ্যিক পৰিৱেশ-পৰিস্থিতিয়ে কবি মনত যি প্ৰতিক্ৰিয়াৰসৃষ্টি কৰে, সেই প্ৰতিক্ৰিয়াক সৃষ্টিশীল কবিয়ে ৰচনাত্মক বিচ্যুতি (Constractive Diversion)ৰ মাজেদি কবিতাৰ ৰূপ প্ৰদান কৰি পৰিস্থিতি বা ঘটনা-বিশেষে তেওঁৰ মনত সৃষ্টি কৰা প্ৰতিক্ৰিয়া ব্যক্ত কৰে। আমাৰ আলোচ্য কবি অমূল্য বৰুৱাৰ সীমিত সংখ্যক কাব্য ৰচনাৰ পাঠন আৰু বিশ্লেষণে তেনে এটা ধাৰণাৰে কাব্য সৃষ্টি কৰে। অৱশ্যে বিজ্ঞ কাব্য সমালোচকসকলে অমূল্য বৰুৱাৰ সৃষ্টিৰাজিক দুটা পৰ্বত ভাগ কৰি আলোচনা কৰাৰ পোষকতা কৰে। তেওঁৰ কবিতাৰ আলোচকসকলে এই বিষয়ৰ যথেষ্ট যুক্তিসঙ্গত কাৰণ দৰ্শাইছে। তদুপৰি কিশোৰ অৱস্থাতে *কবিতা-মালঞ্চ*নামৰ হাতেলিখা আলোচনীখনৰ মাধ্যমেদি তেওঁৰস্বভাৱজাত কাব্য প্ৰতিভা বিকশিত হৈছিল। সেই বিশেষ দিশটো অমূল্য বৰুৱাক কবি হিচাপে মূল্যায়ন কৰাৰ ক্ষেত্ৰত বিবেচনাযোগ্য হ'ব।

অমূল্য জয়ন্তী উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা *অমূল্য বৰুৱাৰ কবিতা* (2000) আৰু *অমূল্য বৰুৱা স্মাৰক বক্তৃতা আৰু অন্যান্য ৰচনা*(2003)নামৰ দুয়োখন গ্ৰন্থতে সন্নিৰিষ্ট লেখাৰ মাজত দুজন পৃথক অমূল্য বৰুৱাৰ কাব্যিক পৰিচয় পোৱা যায়।

1943 চনৰ পূৰ্বৱৰ্তী আৰু তাৰ পৰৱৰ্তী অৰ্থাৎ 1946 চনলৈ (মৃত্যুৰ সময়লৈকে) ৰচিত কবিতাৰ মাজত সেই পাৰ্থক্য স্পষ্ট হৈ আছে। তেওঁৰ একমাত্ৰ কাব্য সঙ্কলন *অচিনাত* সংৰক্ষিত কবিতাসমূহৰ ভিতৰত *বেশ্যা, বিপ্লৱী, কয়লা, কুকুৰ, সিহঁত যেতিয়া জীৱ, আন্ধাৰৰ হাহাকাৰ, আজি আমাৰ বিহু*আদিত দ্বিতীয় গৰাকী কবিৰ স্বাক্ষৰ উজ্বল। *অচিনাত* সংৰক্ষিত 41টা কবিতাৰ ভিতৰত থকা এটা কবিতা *ভাৰতীৰ মুক্তি স্বপ্নত* দ্বিতীয় গৰাকী কবিৰ শক্তিশালী উপস্থিতিৰ মাজতে প্ৰথমজন অৰ্থাৎ প্ৰথম পৰ্বৰ কবি অমূল্য বৰুৱাৰ অস্পষ্ট প্ৰভাৱ কিছু পৰিমাণে লক্ষ্যণীয়—

দধিচিৰ বুকুৰ হাড়েৰে কত
যাচিছিল ত্যাগৰ মহিমা
কোন ঋষি তপস্বীয়ে
মন্ত্রপুত যোগ সাধনাৰে
বান্ধিছিল আদৰ্শৰ
সত্য-শিৱ-সুন্দৰৰ সুবৰ্ণ মন্দিৰ।
জ্ঞানৰ আলোকে কোন
কৰিছিল দীপ্ত তপোবন!

বিশিষ্ট কবি-আলোচক হৰেকৃষ্ণ ডেকাই 1943 চনৰ পিছৰ 7û8টা কবিতাতহে দ্বিতীয় গৰাকী অমূল্য বৰুৱাৰ স্বাক্ষৰ পোৱা যায় বুলিছে। সংখ্যাত তাকৰীয়া হ'লেও অসমীয়া আধুনিক সাহিত্যৰ কাৰণে এই দ্বিতীয়জন অমূল্য বৰুৱাৰ কবিতা কেইটিহে বেছি গুৰুত্বপূৰ্ণ।

এতিয়া প্ৰথম পৰ্বৰ কবি অমূল্য বৰুৱাৰ কবিতা *পদুমৰ অভিমান*লৈ মন কৰোঁ আহক—

যেতিয়া শিকিম মই
ভাল লগা কথাবোৰ
বতাহতে বৰষিম মই,
ভয় লগা সাগৰৰ
বিভীষিকা হৰষত
উটুৱাম কাটি শত ঢ'উ।
তেতিয়া কৰিম মই
দৰদী প্ৰিয়াক মোৰ
পৰাশৰ প্ৰিয়া বিনন্দীয়া
হাত পাতি খুজি ল'ম
তথাপিও যত ফুল
মৰমেৰে মালা গাঁথি দিয়া।

আমি পুনৰ কবি, সমালোচক হৰেকৃষ্ণ ডেকাই কৰা আলোচনালৈ ঘূৰি আহিলে দেখিবলৈ পাম যে সমালোচক গৰাকীয়ে অকপটে প্রথমজন অমূল্য বৰুৱাৰ কাব্য প্রতিভাক স্বীকাৰ কৰিছে। সেইজন কবি অমূল্য বৰুৱাই অসমীয়া ৰমন্যাস কাব্যৰ ঢলত উটি গৈছিল। সেই সময়ছোৱাৰ অর্থাৎ বিংশ শতিকাৰ প্রথম দশকৰ পৰা চতুর্থ দশকলৈ, অর্থাৎ *জোনাকী*ৰ পৰা *আৱাহন*লৈ সজীৱ উচ্ছল হৈ থকা অসমীয়া কবিতাৰ বোৱতী ঢলে অন্য বহুতৰ দৰে তেওঁকো প্রবলভাৱে আকর্ষিত কৰিছিল। কৈশোৰ কালৰ পৰাই কাব্য চর্চাত মনোনিৱেশ কৰা কবি অমূল্য বৰুৱা সেই সময়ৰ দুগৰাকী প্রখ্যাত কবি গণেশ গগৈ আৰু যতীন্দ্র নাথ দুৱৰাৰ কবিতাৰ দ্বাৰা বাৰুকৈয়ে প্রভাৱিত হৈছিল। দুয়ো গৰাকী কবিৰে বেদনা আৰু নিৰাশাৰ ভাব বিলাসিতা, শব্দৰ লালিত্য আৰু ছন্দ স্পন্দনৰ মাধুর্য্যই অমূল্য বৰুৱাৰ কবিতাৰ ভাববস্তু আৰু শৈলী দুয়োটাতে প্রভাৱ পেলাইছিল।

তেওঁৰ প্রথম পর্বৰ কবিতাত কবি দেৱকান্ত বৰুৱাৰো প্রভাৱ পৰিছিল। দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ ছন্দৰ বিধুৰ-মাধুর্য্যৰ ঠাইত আছিল দৃপ্ত ছন্দৰ নিয়ন্ত্রিত সুষমা আৰু এককোক্তিৰ নাটময়তা। অমূল্য বৰুৱাৰ কবিতা *ভুলৰ পূজা*ত তাৰেই অনুৰণন ঘটিছে—

দেৱতা নিষ্ঠুৰ? কয় কোনে? ভুল কিয় কৰা
বুজিও নুবুজা,
পুৱাৰ কিৰণ সানি গধুলি মৰহি পৰা ফুলৰেই
দেৱতাৰ পূজা।
নগলে পাষাণ? গলে কাৰ প্রাণ? মানুহৰ?
মানুহক দিবা,
আদিম মানৱে পোৱা দেৱতাৰ প্রেম উপহাৰ
তাৰে উমলিবা?

তেওঁৰ কেইটিমান কবিতাৰ ছন্দ সজ্জাত ৰত্নকান্ত বৰকাকতীৰ কবিতাৰ ছন্দ-সজ্জাৰো প্রভাৱ দেখা যায়।

জয়ন্তী যুগৰ আৰম্ভণিৰ লগে লগে প্রগতিবাদী ধ্যান-ধাৰণাই অসমীয়া কাব্য কানন আৰু কবি মনত নতুন আলোড়ন তুলিছিল। 1943 পোন প্রথম বাৰৰ বাবে বন্ধু যতি নাৰায়ণ শর্মাৰ লগত কলিকতালৈ গৈ তেওঁ কলিকতাৰ বৌদ্ধিক সমাজ আৰু সাহিত্য জগতৰ কাণ্ডাৰীসকলৰ লগত পৰিচিত হৈছিল। বিশেষকৈ কলিকতাৰ বাম পন্থী চিন্তাধাৰাৰ লেখক-সাহিত্যিকসকলৰ লগত এই পৰিচয় অধিক গভীৰ হৈছিল। অমূল্য বৰুৱাৰ অধ্যয়ন স্পৃহাই তেওঁক বিদেশৰ শিক্ষা-সাহিত্য, ৰাজনীতি, অর্থনীতি, সমাজ নীতিত দেখা দিয়া পৰিৱর্তনসমূহৰ বিষয়ে জনাত সহায় কৰিছিল। তদুপৰি দ্বিতীয় বিশ্বযুদ্ধৰ ধামখুমীয়াত পৰি বৃটিছ অধ্যুষিত ভাৰতীয় সমাজ জীৱনত যি আহুকলীয়া পৰিস্থিতিৰ সৃষ্টি কৰিছিল সিয়ে এচাম শুভ বুদ্ধিসম্পন্ন ভাৰতীয়ক সচেতন কৰিছিল। সিবিলাকৰ লগতে ছাত্র-ছাত্রীসকলেও যুদ্ধ বিৰোধী স্থিতি গ্রহণেৰে বৃটিছ চৰকাৰৰ কিছুমান

স্বেচ্ছাচাৰী নীতিৰ বিৰোধিতা কৰিছিল।তৰুণ ছাত্ৰৰ সেই দলটোত অমূল্য বৰুৱাও আছিল। সেই সময়ৰ এগৰাকী প্ৰগতিশীল লেখক কমল নাৰায়ণদেৱৰ *জয়ন্তী*ৰ পাতত প্ৰকাশিত *সমাজ বিৱৰ্তনৰ ঐতিহাসিক পৰিপ্ৰেক্ষিত*ৰ মাজেৰে এক প্ৰগতিশীল চিন্তাৰ উন্মেষণ ঘটিছিল। সেই চিন্তা তথা আদৰ্শৰ টোৰে অমূল্য বৰুৱাক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। মাৰ্ক্সীয় চিন্তাৰ আধাৰতে সেই সময়ছোৱাত শক্তিশালী হৈ উঠিল। দ্বিতীয় পৰ্বৰ কবি অমূল্য বৰুৱাৰ পৰিৱৰ্তিত মূল্যবোধৰ ফলত তেওঁৰ ৰচনাত স্থান পালে নৱ্য-চিন্তাদৰ্শৰ অভিজ্ঞতালব্ধ পূৰ্বেপ্ৰচলিত নোহোৱা ভালেমান ইংৰাজী শব্দ।সেইবোৰৰ ভিতৰত So-called, গৱৰ্ণমেণ্ট, Red Sealed XXX Rum, ইনটেলেকচ্যুয়াল, আলট্ৰা-ভায়োলেট, ষ্ট্ৰেটজিক পইণ্ট আদি উল্লেখযোগ্য। কবিগৰাকী অধিক সমাজ সচেতন হৈ উঠিল। পঙ্গু সমাজ জীৱনৰ, অৰ্থনৈতিক অৱস্থাৰ প্ৰকৃত স্বৰূপ উদঙাই দিয়াৰ বাবে উন্মুখ হৈ পৰিল। দ্বিতীয় পৰ্বৰ কবি অমূল্য বৰুৱাৰ *বেশ্যা* কবিতাত ইবোৰৰ সম্যক প্ৰকাশ ঘটিল। কবি গৰাকীৰ *বেশ্যা*কবিতাৰ আলোচনা প্ৰসঙ্গত কবি হৰেকৃষ্ণ ডেকাই কৰা মন্তব্য উল্লেখনীয়—

"দ্বিতীয়জন অমূল্য বৰুৱাৰ কবিতাৰ ভঙ্গীহে আমি দেখিবলৈ পালো, তাৰ পূৰ্ণ ৰূপটো আমি দেখিবলৈ নাপালো। কিন্তু *বেশ্যা* কবিতাৰ যি বলিষ্ঠ আবেদনময় প্ৰকাশভঙ্গী, তাৰ যি প্ৰত্যয় বক্তব্য, তাৰ পৰা আমাৰ ধাৰণা হয় যে তেখেতৰ আচল প্ৰতিভা বিকশিত হ'বলৈ নাপালে। দ্বিতীয়জন অমূল্য বৰুৱাৰ কবিতা যে ইঙ্গিতময় আধুনিকতাবাদী কবিতাৰ চৰিত্ৰতকৈ বেলেগ চৰিত্ৰৰ সেই কথা ওপৰত উনুকিয়াইছে। বক্তব্য তেখেতৰ কাৰণে প্ৰধান। শব্দ-চেতনাতকৈ শব্দ-প্ৰয়োগহে তেখেতৰ কাৰণে মুখ্য কথা। বক্তব্যৰ প্ৰয়োজনত কবিতা লিখে কাৰণে তেখেতে আধুনিকতাবাদী কবিৰ দৰে কবি সত্তাক Personaৰ ৰূপত সৃষ্টি নকৰে। সমাজ সমালোচক অমূল্য বৰুৱাজন তাত উপস্থিত থাকে। তেখেতৰ *বেশ্যা*কবিতাৰ উপৰিপৃষ্ঠৰ কক্ষতা বাস্তৱ জীৱনৰ বাস্তৱতাৰে প্ৰতিৰূপ, আধুনিক জীৱনৰ এক কদৰ্য্য ৰূপ উন্মোচন কৰি দিওঁতে তাত Lyricismৰ স্থান নাই। 'ধনীক শ্ৰেণীৰ বিৰুদ্ধে বনুৱাৰ শ্ৰেণী সংগ্ৰাম'ত তেতিয়া তেখেতে বাৰাংগনাক বীৰাঙ্গনাৰ ৰূপত দেখা পায়, সেই উপলব্ধি তেখেতে দৃঢ় প্ৰত্যয়েৰে ব্যক্ত কৰে, আধুনিকতাবাদীৰ দৰে দ্বিধা, দ্বন্দ্বই তেখেতক পীড়িত নকৰে। আধুনিক জীৱনৰ প্ৰতি অমূল্য বৰুৱাৰ সঁহাৰি সেয়েই আধুনিকতাবাদীতকৈ বেলেগ।...."

অসমৰ এগৰাকী প্ৰখ্যাত বুদ্ধিজীৱি তথা অবিসম্বাদী সাহিত্য সমালোচক হীৰেণ গোহাঁয়ে *অমূল্য বৰুৱাৰ* কবিতা শীৰ্ষক প্ৰবন্ধত *কুকুৰ* কবিতাটোৰ আলোচনাৰ প্ৰসঙ্গত কৈছে—

"যুধিষ্ঠিৰৰ লগত স্বৰ্গাৰোহণৰ আশাত
ধৰ্ম-যাত্ৰা কৰিবৰ মৰ সাহ আৰু সিহঁতৰ নাই।"

এই নিৰ্মম শ্লেষোক্তিয়ে নীতিবাগীশ সমাজ সেৱীৰ (যেনে— আজিকালিৰ মূল্যবোধ পুনৰুদ্ধাৰ কৰা উদ্যোগীসকলৰ) মুখা খুলি দিয়াৰ লগে লগে শোষিত শ্ৰেণীৰ

চূড়ান্ত অৱমাননাৰ তপত লোহাৰ শলাৰ দৰে আমাৰ মনত দাগ দি গৈছে পাহৰিব নোৱাৰাকৈ।

কবি অমূল্য বৰুৱাই 1943 চনৰ 8 আগষ্টৰ দিনা তেওঁৰ বন্ধু পদ্মধৰ (পদুম) বৰুৱালৈ লিখা চিঠিত উল্লেখ কৰিছিল— "মোৰ কবিতাৰ ধাৰাটো সম্পূৰ্ণ সলনি কৰি দিছোঁ। ৰিয়েলিজমৰ সংস্পৰ্শত আহি নিজ মানুহটোক বহুতখিনি সামাজিক দৃষ্টিভঙ্গীৰে চাবলৈ ধৰিছোঁ।"

কবিৰ এই স্বীকাৰোক্তিৰ আঁত ধৰি তেওঁৰ দ্বিতীয় পৰ্বৰ কবিতাসমূহ বাস্তৱবাদী দৃষ্টিভঙ্গীৰে বিচাৰ-বিশ্লেষণ কৰা যুগুত হ'ব। সেই সময়ছোৱাৰ কবিতাসমূহত পৈণত অৱস্থাৰ ফালে গতি কৰা এগৰাকী তৰুণ কবিৰ নিৰলস সাধনাৰ ছবি আমাৰ দৃষ্টিত ভাঁহি উঠে *কুকুৰ*নামৰ কবিতাটি আলোচনাৰ আঁওতালৈ আনিব পাৰি—

সিহঁতৰ অশৃঙ্খল, কোলাহল পূৰ্ণ, হিংসামত্ত সমাজত
ক্ষুধা নিবাৰণৰ কেৱল কঠোৰ সংগ্ৰাম।
ক্ষুধাৰ তাড়না
লোভৰ লেলাৱতি,
আৰু চোকা দাঁতৰ কুট্ কুটনিত,
নিৰস হাড় আৰু লেকেটা চামৰাও হয়
সিহঁতৰ বাবে
সৰস আৰু 'পোটিন'ৰ দৰে কোমল।

এই গৰাকী স্বনামধন্য সাহিত্য সমালোচকে অমূল্য বৰুৱাৰ বহু চর্চিত কবিতা *বেশ্যা* বিষয়ক সমালোচনাংশত উল্লেখ কৰিছে—

"*বেশ্যা* কবিতাত মানুহৰ নিৰুপায় অধঃপতন আৰু দাসত্বৰ প্রতি ওপৰৰ কবিতাটোৰ দৰে, যেনে— Horror বা আতঙ্ক মিশ্রিত বিৰাগ আছে তাৰ লগতে আছে সমাজৰ নিয়ন্ত বৃন্দৰ প্রতি প্রচুৰ তীব্র শ্লেষোক্তি। কেতবোৰ শ্লেষোক্তি অতিৰঞ্জিত যেন লাগিলেও ভালকৈ আকৌ এবাৰ পঢ়ি চালে দেখা যাব যে *বেশ্যাক* অমূল্য বৰুৱাই কেৱল এক বিশেষ বৃত্তিৰ বলি এচাম নাৰী বুলি ধৰা নাই। তেওঁৰ মানত বেশ্যা সমস্ত পুঁজিবাদী সমাজ, অর্থনীতি, সংস্কৃতিৰ প্রতীক। বেশ্যা কেৱল কাম প্রবৃত্তি চৰিতার্থ কৰাৰ উপায় নহয়- সামাজিক নীতি নিয়ম, নৈতিকতা, ৰাজনৈতিক শৃঙ্খলা, আইন-আদালত, কলা-সংস্কৃতিৰ অন্যতম স্তম্ভ। অথচ বেশ্যাক সকলোৱে দেখুৱাই ঘৃণা কৰে। অমূল্য বৰুৱাৰ কবিতাটো কেৱল এক বাগাড়ম্বৰ নহয়, সি আধুনিক সমাজ জীৱনৰ ওপৰত এক অন্তর্ভেদী আলোকপাত, আধুনিক পুঁজিবাদী সভ্যতাই মানুহক কেনেকৈ নিষ্প্রাণ যন্ত্রত পৰিণত কৰে *বেশ্যা* তাৰ এক মর্মান্তিক নিদর্শন। এই পিনৰ পৰা মনুষ্যত্ব লুণ্ঠিত হোৱা শ্রমিক আৰু বেশ্যাৰ দশা আৰু স্বৰূপ একেই।"



জানি থোৱা ভাল

অমূল্য বৰুৱাৰ কাব্য জীৱনৰ দুটা পৰ্বৰ অন্তৰ্গত কবিতাসমূহ এইদৰে উল্লেখ কৰিব পাৰি—

প্ৰথম পৰ্বৰ কবিতা ঃ অৰূপ অচিনা, বন্দনা, পদুমৰ অভিমান, স্বৰূপ, সুন্দৰৰ সুখ, হিয়াৰ বাতৰি, বুজা ভুল, ভুলৰ কাৰণে মাথোঁ সৃষ্টি বিধাতাৰ, শিল্পী, তোলৈ আৰু তেওঁলৈ, আকুল পথিক, মই জানো কিমান নিষ্ঠুৰ, তৃপ্তিৰ ৰহস্য, ভুলৰ পূজা, অঞ্জলি, অব্যৰ্থ, তুমি আৰু মই, বিদায়, দৃষ্টিৰ বিননি, মৰমে যেতিয়া চুমে, ভালপোৱা, বিধৱা, প্ৰীতি উপহাৰ, আইতাৰ মৃত্যুত, ভুৰেনেশ্বৰীৰ শিখৰত, বিফলতা, উন্মুক্ত যৌৱন, মুক্তি গান, সমিধান, চিৰ নতুন, চেনেহৰ পুতু, মৰমৰ ধাৰ, প্ৰকাশ, দুটি অসম্পূৰ্ণ কবিতা।

দ্বিতীয় পৰ্বৰ কবিতা ঃ বেশ্যা, বিপ্লৱী, কয়লা, কুকুৰ, সিহঁত তেতিয়া জীৱ, আন্ধাৰৰ হাঁহাকাৰ, ভাৰতীৰ মুক্তি স্বপ্ন, আজি আমাৰ বিহু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কাব্য সমালোচকসকলে অমূল্য বৰুৱাৰ কবিতাসমূহ আলোচনা কৰোতে কেনে পৰ্ব বিভাজন মানি চলিছে আৰু কিয় ?

[350টা শব্দৰ ভিতৰত লিখক)



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া আধুনিক কবিতাৰ জগততপদাৰ্পণ কৰি এমুঠিমান কবিতাৰে নিজৰ কাব্য প্ৰতিভা প্ৰদৰ্শন কৰা ক্ষণজন্মা কবি অমূল্য বৰুৱাৰ পৰিচয় লাভ কৰিলো।
- অমূল্য বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ বিৱৰণী পঢ়িবলৈ পালো।
- পাঠ্যত অন্তৰ্ভুক্ত হোৱা *বেশ্যা* কবিতাটোৰ আলোচনাৰ মাজে প্ৰগতিবাদী চিন্তাৰ কবি অমূল্য বৰুৱাৰ পৰিচয় লাভ কৰিলো।
- সমাজৰ দৃষ্টিত ঘৃণিত বৃত্তি গ্ৰহণ কৰা বেশ্যা ৰূপে পৰিগণিত হোৱা পতিত নাৰী এগৰাকীৰ অভিজাত সমাজৰ তথাকথিত ভদ্ৰলোক আৰু ধনীক শ্ৰেণীটোৰ প্ৰকৃত স্বৰূপটোনো কেনেকুৱা তাৰ নিৰ্মোহ লেখ আগবঢ়োৱা হৈছে।
- তৃতীয় পুৰুষত বৰ্ণিত হোৱা কবিতাটোৰ মাজেদি কবিয়ে বাৰাংগনা গৰাকীক আধাৰ হিচাপে লৈ সমাজৰ কিছুমান পুতিগন্ধময় দিশৰ তীব্ৰ সমালোচনা কৰিছে।
- স্বনামধন্য কাব্য সমালোচক কেইগৰাকীমানৰ উদ্ধৃতি আৰু বিশ্লেষণৰ আঁত ধৰি *বেশ্যা* কবিতাটো আৰু তেওঁৰ অন্যান্য কবিতাৰ মাজেদি সামগ্ৰিকভাৱে অমূল্য বৰুৱাৰ কাব্য প্ৰতিভাৰ মূল্যায়ন কৰা হ'ল।



১১.৫ অধিক জানিবলৈ

1) অমূল জয়ন্তী উদ্‌যাপন সমিতি (2000); *অমূল্য বৰুৱাৰ কবিতা*; ফ্রেণ্ডছ পাব্লিকেশ্যন, দিছপুৰ, গুৱাহাটী।
2) অমূল জয়ন্তী উদ্‌যাপন সমিতি (2003); *অমূল্য বৰুৱা স্মাৰক বক্তৃতা আৰু অন্যান্য ৰচনা*; ফ্রেণ্ডছ পাব্লিকেশ্যন, দিছপুৰ, গুৱাহাটী।
3) জামান, আনিছ উজ্‌ (সম্পা.) (2015); *অমূল্য বৰুৱা ঃ দৃষ্টি আৰু দৰ্শন*; সদৌ অসম কবি সন্মিলন, গুৱাহাটী।
4) ভট্টাচার্য্য, পূর্ণ (2009); *আধুনিক অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



১১.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অমূল্য বৰুৱাৰ চমু পৰিচয়... ...ল'ৰালিতে ফুটি উঠা তেওঁৰ কাব্য প্রতিভা কি কি মাধ্যমৰ যোগেদি বিকশিত হৈছিল তাৰ চমু লেখ।

২নং প্রশ্নৰ উত্তৰ ঃ অমূল্য বৰুৱা এগৰাকী প্রবল উদ্যামী ব্যক্তি আছিল... ...তেওঁ কি কি অনুষ্ঠান-প্রতিষ্ঠানৰ লগত জড়িত আছিল... ...কি কাম কৰিছিল তাৰ চমু লেখ।

৩নং প্রশ্নৰ উত্তৰ ঃ কবিয়ে সমাজৰ দৃষ্টিত ঘৃণাৰ পাত্রী ৰূপে গণ্য হোৱা বাৰাংগনা গৰাকীৰ পর্য্যবেক্ষণৰ মাধ্যমেদি সমাজৰ দুমুখীয়া ব্যক্তিত্বৰ লোক কিছুমানৰ স্বৰূপ উদঙাইছে। তাৰ চমু বিৱৰণ।

৪নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া আধুনিক কবিতাৰ আলোচনাৰ প্রসঙ্গত কাব্য সমালোচক সকলে অমূল্য বৰুৱাৰ কবিতা আলোচনা কৰোঁতে তেওঁৰ কবিতাসমূহ দুটা পর্বত ভাগ কৰি আলোচনা কৰিছে... ...তেওঁ আৰম্ভণিৰে পৰা 1943 চনলৈ লিখা কবিতাসমূহ প্রথম পর্বত আৰু 1943 চনৰ পৰা মৃত্যুৰ সময়লৈকে লিখা কবিতাসমূহ দ্বিতীয় পর্বৰ কবিতা ৰচনা ৰূপে আলোচনা কৰিছে... ...তাৰ কাৰণ ব্যাখ্যা।



১১.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ক্ষণজন্মা কবি অমূল্য বৰুৱাৰ জীৱন আৰু কৃতিৰ লেখ আগবঢ়াওক।

প্রশ্ন ২ ঃ অমূল্য বৰুৱাৰ কবিতাসমূহৰ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ অমূল্য বৰুৱাৰ কাব্য জীৱনৰ সূত্রপাত কিদৰে হৈছিল?

প্ৰশ্ন ৪ ঃ কি কি বাহ্যিক আৰু পাৰিপাৰ্শ্বিক পৰিৱেশ, পৰিস্থিতিয়ে ৰোমাণ্টিক কবিতাৰে কাব্য সাধনা আৰম্ভ কৰা কবি অমূল্য বৰুৱাক পৰৱৰ্তী সময়ত আধুনিক, বাস্তৱবাদী দৃষ্টিৰে কাব্য ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল ?

প্ৰশ্ন ৫ ঃ *বেশ্যা* কবিতাটোৰ মাজেদি অমূল্য বৰুৱাৰ সমাজবাদী চেতনা কেনে দৰে প্ৰকাশ পাইছে।

প্ৰশ্ন ৬ ঃ অমূল্য বৰুৱাৰ কাব্যকৃতিৰ মূল্যায়ন আগবঢ়াওক।

*** ***** ***